# 2015

## ASSAMESE

( Elective )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। যি কোনো দহটা প্ৰশ্নৰ উত্তৰ কৰিবা : ১×১০=১০

(ক) চৰিত-সাহিত্যৰ সৃষ্টি কোনটো যুগত হৈছিল ?

(খ) উত্তৰ-শংকৰী যুগত সৃষ্টি হোৱা সাহিত্যৰ দুটা ৰূপৰ উল্লেখ কৰা।

(গ) 'শকুন্তলা কাব্য' কোনে ৰচনা কৰিছিল ?

(ঘ) 'হস্তীবিদ্যাৰ্ণৱ'ৰ চিত্ৰ অংকন কোনে কৰিছিল ?

(ঙ) কিমান চনত 'অৰুণোদই' আলোচনী প্ৰকাশ পাইছিল ?

(চ) প্ৰথম অসমীয়া ছপা পুথিখন কি আছিল ?

(ছ) 'অসমীয়া ল'ৰাৰ মিত্ৰ' কোনে লিখিছিল ?

(জ) 'বাহিৰে ৰং চং ভিতৰে কোৱাভাতুৰী' কাৰ ৰচনা ?

(ঝ) 'জোনাকী' আলোচনী কেতিয়া প্ৰকাশ পাইছিল ?

(ঞ) অসমীয়া সাহিত্যৰ ৰোমাণ্টিক যুগৰ যি কোনো এজন সাহিত্যিকৰ নাম লিখা।

(ট) 'আৱাহন' আলোচনীৰ প্ৰথম সম্পাদক কোন আছিল ?

(ঠ) শৰৎচন্দ্ৰ গোস্বামীৰ এখন গল্প-পুথিৰ নাম লিখা।

(ড) বেজবৰুৱাৰ এখন কবিতা-পুথিৰ নাম লিখা।

(ঢ) চন্দ্ৰকুমাৰ আগৰৱালাক অসমীয়া সাহিত্যজগতত কি কবি বুলি জনা যায় ?

(ণ) ৰজনীকান্ত বৰদলৈৰ এখন উপন্যাসৰ নাম লিখা।

২। যি কোনো পাঁচটা প্ৰশ্নৰ উত্তৰ কৰিবা : ২×৫=১০

(ক) ভট্টদেৱ ৰচিত দুখন পুথিৰ নাম লিখা।

(খ) উত্তৰ-শংকৰী যুগত ৰচিত যি কোনো দুবিধ ব্যৱহাৰিক সাহিত্যৰ নাম লিখা।

(গ) অসমীয়া সাহিত্যত ৰমণ্যাসিক ভাৱধাৰা কোন দুটা পথেৰে প্ৰৱেশ কৰিছিল ?

(ঘ) প্ৰথম অসমীয়া অভিধানখনৰ নাম কি আছিল আৰু কোনে ৰচনা কৰিছিল ?

(ঙ) অৰুণোদই যুগৰ দুজন খ্ৰীষ্টিয়ান লেখকৰ নাম লিখা।

(চ) প্ৰথম অসমীয়া নাটকখনৰ নাম কি আৰু কোনে ৰচনা কৰিছিল ?

(ছ) লক্ষ্মীনাথ ফুকন কোন যুগৰ গল্পকাৰ আছিল? তেওঁৰ এখন গল্প-পুথিৰ নাম লিখা।

(জ) 'জোনাকী'ত প্ৰকাশ পোৱা প্ৰথম অসমীয়া উপন্যাসখন কি আৰু কোনে ৰচনা কৰিছিল ?

৩। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ কৰিবা : ৫×৪=২০

(ক) উত্তৰ-শংকৰী যুগৰ সাহিত্য সম্পৰ্কে চমুকৈ লিখা।

(খ) অসমীয়া ব্যৱহাৰিক সাহিত্যৰ বিষয়ে চমু টোকা লিখা।

(গ) ৰোমান্টিক সাহিত্যৰ পাঁচটা বৈশিষ্ট্য উল্লেখ কৰা।

(ঘ) হেমচন্দ্ৰ বৰুৱাৰ বিষয়ে চমুকৈ লিখা।

(ঙ) অসমীয়া ৰমণ্যাসিক কবিতাত প্ৰকৃতি সম্পৰ্কে চমু টোকা লিখা।

(চ) অসমীয়া বুৰঞ্জী-সাহিত্যৰ গদ্য সম্পৰ্কে চমুকৈ লিখা।

(ছ) অসমীয়া সাহিত্যলৈ 'জোনাকী'ৰ অৱদান সম্পৰ্কে লিখা।

৪। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ১০×৪=৪০

(ক) উত্তৰ-শংকৰী যুগৰ অংকীয়া নাটকৰ বিষয়ে এটা আলোচনা আগবঢ়োৱা।

(খ) ভট্টদেৱৰ গদ্যৰীতি সম্পৰ্কে আলোচনা কৰা।

(গ) অসমীয়া সাহিত্যলৈ অৰুণোদই যুগৰ খ্ৰীষ্টিয়ান লিখক-সকলে কি অৱদান আগবঢ়াইছিল, আলোচনা কৰা।

(ঘ) ব্যৱহাৰিক সাহিত্য বুলি ক'লে কি বুজা? শঙ্কৰোত্তৰ যুগত কি কি ব্যৱহাৰিক সাহিত্য সৃষ্টি হৈছিল, আলোচনা কৰা।

(ঙ) অসমীয়া ৰোমান্টিক বা ৰমণ্যাসিক কবিতাৰ স্বৰূপ সম্পৰ্কে এটা নিৱন্ধ যুগুত কৰা।

(চ) ৰজনীকান্ত বৰদলৈৰ উপন্যাসৰ বিষয়ে আলোচনা কৰা।

(ছ) শৰৎচন্দ্ৰ গোস্বামীৰ গল্প সম্পৰ্কে আলোচনা কৰা।

(জ) অসমীয়া ৰামায়ণী সাহিত্যৰ বিষয়ে এটা বিশ্লেষণ আগবঢ়োৱা।

★★★